৪ পৃষ্ঠাত ১০ পৃষ্ঠাত


# অসম আদিত্য

RN

Po
e-m

...াহাৰ, ১৯৪৮ শক ■ শুকুৰবাৰ, ১৯ জুন, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, June 19, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী...


...য়তে দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ ...জাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তৰুণ উত্তোলন কৰিব। ইয়াৰ পিছতে স্মৃতি ...লন আৰু মুকলি সভা অনুষ্ঠিত হ'ব। ...জাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত ...ৰিচালনা সমিতিৰ সভাপতি ড° ৰাজেন্দ্ৰ সভাপতিত্ব কৰিব। অনুষ্ঠানত আদৰণী ...ৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তৰুণ ... সভাৰ মুখ্য অতিথি হিচাপে উপস্থিত ... বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন ...ষ্ঠ বক্তা হিচাপে উপস্থিত থাকিব অসম ...ক শিক্ষা সংসদৰ প্ৰাক্তন অধ্যক্ষ ড° ...য়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ... ভাৰত চৰকাৰৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ...ৰাৰ, চৰাইদেউ জিলাৰ আয়ুক্ত ড° নেহা ... জিলাৰ আৰক্ষী অধীক্ষক সুৰজিত সিং ... চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা অভিভাৱক ... ৰাজ্যসভাৰ সাংসদ যোগেন মহন আৰু ...বিধায়ক সুৰুজ দিহিঙীয়া আদি বহুকেইজন ... অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষক- আৰু শুভাকাংক্ষীসকলক বিশেষভাৱে ... হ'ব। আবেলি ৩ বজাৰপৰা সাংস্কৃতিক ...ুষ্ঠিত হোৱাৰ পিছত সন্ধিয়া ... প্ৰাংগণত ৩৫ গছি বন্তি প্ৰজ্বলনৰ ...ছৰৰ গৌৰৱময় যাত্ৰাক স্মৰণ কৰা হ'ব।

## ...ৰ বাহন জব্দ

...লে জোৰদাৰ অভিযান আৰম্ভ কৰে। ...টনা সংঘটিত কৰা এএছ-০৬-টি- ...বাহনখন জব্দ কৰিবলৈ সক্ষম হোৱাৰ ...ক্ষী থানাৰ অন্তৰ্গত ইকৰাতলি খনিকৰ ...ুত্ৰ প্ৰায় ২১ বছৰীয়া কিৰণজ্যোতি ...ক্ষম হয়। আজি টেঙাখাত আৰক্ষীয়ে ...গোচৰ ৰুজু কৰি অভিযুক্তক গ্ৰেপ্তাৰ ...গড়ৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে।

### বিকশিত ভাৰতৰ সংকল্প সন্মিলনত ড° শশীকান্ত শইকীয়া

# নেতৃত্বত নিহিত থাকে দেশৰ প্ৰকৃত শক্তি

**ষ্টাফ ৰিপৰ্টাৰ, ১৮ জুন ঃ** 'এখন দেশৰ প্ৰকৃত সফলতা, বিকাশ, উন্নয়নৰ শক্তি কেৱল সেই দেশখনৰ অৰ্থনীতিত জড়িত হৈ নাথাকে, সেই দেশখনৰ জনসাধাৰণৰ জীৱনৰ ইতিবাচক পৰিৱৰ্তন আনিব পৰা দেশৰ নেতৃত্বত নিহিত হৈ থাকে। বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষই তেনে এক যাত্ৰাৰে প্ৰমাণ দাঙি ধৰে।' চাবুৱা পৌৰসভাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকালৰ বিকাশ, উন্নয়ন সম্পৰ্কত অনুষ্ঠিত 'বিকশিত ভাৰতৰ সংকল্প সন্মিলন'ত বিশেষ এক মননশীল বক্তৃতা প্ৰদান কৰি বিশিষ্ট লেখক, সাহিত্যিক, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। বক্তৃতানুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ড০ শইকীয়াই কয়— এখন দেশ, এখন সমাজ, এখন ৰাষ্ট্ৰ বা এটা প্ৰতিষ্ঠান কেনেকৈ আগুৱাই যাব, এই বিষয়ে নিৰ্ভৰ কৰে নেতৃত্বই কেনেকৈ আগুৱাই নিব পাৰিছে তাৰ ওপৰত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকালৰ নেতৃত্বক ভূঁয়সী প্ৰশংসা কৰি তেওঁ কয়— যি জাতিয়ে সপোনক কৰ্মত আৰু কৰ্মক সফলতালৈ ৰূপান্তৰিত কৰিব পাৰে, সেই জাতিয়ে পৃথিৱীত ইতিহাস সৃষ্টি কৰিব পাৰে। নতুন ভাৰতৰ উত্থান সেই ইতিহাসৰ এক উজ্জ্বল অধ্যায় বুলি উল্লেখ কৰি তেওঁ কয়— প্ৰযুক্তি বিপ্লৱ, মহাকাশ অভিযান, আত্মনিৰ্ভৰ অৰ্থনীতি এই তিনিটা স্তম্ভৰ ওপৰত ভৰ দি আজি ভাৰত বিশ্বৰ আগশাৰীৰ শক্তি হিচাপে প্ৰতিষ্ঠিত হৈছে। বিগত চৰকাৰসমূহৰ উত্তৰণৰ ধাৰাক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে ব্যতিক্ৰমী ৰূপত শক্তিশালীভাৱে অধিক সাৰ-পানী যোগাই আগুৱাই নিয়া বুলি উল্লেখ কৰি বিকাশ বা উন্নয়ন সম্পৰ্কত তেওঁ কয়— উন্নয়ন হৈছে এগছি বন্তি, যিয়ে কেৱল বৰ্তমানকে আলোকিত নকৰে, ভৱিষ্যত প্ৰজন্মৰ বাটো মুকলি কৰে। তেওঁ বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী মোদীৰ বিকাশৰ কথা উল্লেখ কৰি জন-ধন যোজনা, ডিজিটেল ইণ্ডিয়া, মেক ইন ইণ্ডিয়া, ষ্টাৰ্ট আপ ইণ্ডিয়া, স্কীল ইণ্ডিয়া, স্বচ্ছ ভাৰত অভিযান, উজ্জ্বলা যোজনা, জলজীৱন মিছন, প্ৰধানমন্ত্ৰী আৱাস যোজনা, সৌভাগ্য যোজনা, বেটি বাঁচাও, বেটি পঢ়াও যোজনা, পি এম কিষাণ, পি এম গতিশক্তি, বন্দে ভাৰত এক্সপ্ৰেছ, ভাৰতমালা প্ৰকল্প, সাগৰমালা প্ৰকল্প, অসমমালা প্ৰকল্প, আত্মনিৰ্ভৰ ভাৰত অভিযান, ইউ পি আইৰ বিশ্বজনীনতা, চন্দ্ৰযান-৩ৰ সফলতা, আদিত্য এল-ৰ অভিযান, ফাইভ জি ইণ্টাৰনেট সেৱাৰ সম্প্ৰসাৰণ, নতুন শিক্ষানীতি-২০২০, ৰাষ্ট্ৰীয় লজিষ্টিক নীতি, এক দেশ এক সেৱা, মহিলা সংৰক্ষণ বিধেয়ক, ৰাম মন্দিৰ নিৰ্মাণ, জি-২০ শীৰ্ষক সন্মিলনৰ সফল আয়োজন, উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু সংযোগ ব্যৱস্থাৰ ব্যাপক উন্নয়ন সম্পৰ্কেও উল্লেখ কৰে। মণ্ডলৰ সভাপতি ৰিণ্টু শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত ড০ শইকীয়াই কয়— এজোপা বটবৃক্ষ এদিনতে ডাঙৰ নহয়। সৰু গুটি এটাৰ পৰা পৰৱৰ্তী সময়ত বৃহৎ বৃক্ষ হৈ সকলোকে ছাঁ দিয়াৰ সম্ভাৱনা লুকাই থাকে। ঠিক তেনেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰে ব্যক্তিৰ সুদৃঢ় নেতৃত্ব আৰু সুদূৰ প্ৰসাৰী চিন্তাই এখন দেশ আৰু এটা জাতিক আগুৱাই নিয়ে। ডিব্ৰুগড় জিলাৰ প্ৰেক্ষাগৃহ সভাৰ আহ্বায়কৰ দায়িত্বত থকা ডিব্ৰুগড় পৌৰ নিগমৰ পাৰিষদ তথা বিজেপি মহিলা মৰ্চাৰ ডিব্ৰুগড় জিলাৰ সভানেত্ৰী মামুন গগৈ মিত্ৰই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত তেওঁ পুনৰ কয়— যদি একৈশ শতিকাতো ভাৰতৰ শতিকালৈ ৰূপান্তৰিত কৰিব লাগে, তেন্তে উদ্ভাৱন, আত্মনিৰ্ভৰশীলতা আৰু মানৱ সম্পদ গঢ়ি তোলাৰ যোগেদিয়ে হ'ব নতুন ভাৰতৰ প্ৰতিচ্ছবি। তেওঁ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাট-পথ-দলং, চিকিৎসা, শিক্ষা সকলোতে এই চৰকাৰে পৰিৱৰ্তন আনিবলৈ সক্ষম হোৱা বুলি কয়। এই উন্নয়ন, বিকাশ কেৱল কোনো এজন ব্যক্তিৰ সফলতা নহয়, এশ চল্লিশ কোটি ভাৰতীয়ৰ সপোন, পৰিশ্ৰম আৰু অংশগ্ৰহণৰ ফল বুলিও তেওঁ কয়। চাবুৱা পৌৰসভাৰ পৌৰপতি ব্ৰজেন বৰুৱাই সভাপতিত্ব কৰা অনুষ্ঠানটিত তেওঁ সকলোকে দেশপ্ৰেম, দায়িত্ববোধ আৰু উন্নত ভাৰত গঠনৰ প্ৰতি কাম কৰি যাবলৈ আহ্বান জনায়। উল্লেখ্য যে ড০ শশীকান্ত শইকীয়াৰ তথ্য সমৃদ্ধ, যুক্তিনিষ্ঠ, উপমাৰে সমৃদ্ধ আৰু হৃদয়স্পৰ্শী ভাষণে সকলো দৰ্শক-শ্ৰোতাক মুগ্ধ কৰা সভাত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকালৰ বিভিন্ন উন্নয়নৰ দিশ আলোচনা কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত চাবুৱা পৌৰসভাৰ উপ-পৌৰপতি লক্ষ্মী ৰাজখোৱা, ডিব্ৰুগড় পৌৰ নিগমৰ ১৮নং ৱাৰ্ডৰ পাৰিষদ সীমান্ত বৰুৱা, ২ নং ৱাৰ্ডৰ পাৰিষদ দৰ্শন দাস, চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ জ্যেষ্ঠ নাগৰিকসকলৰ লগতে কেইবা শতাধিক ব্যক্তি উপস্থিত থাকে।

...ঠাৰ পদক্ষেপৰ ...ক্ৰালমুক্ত ভাৰত

...তাৰ পৰা মুক্তি - ...মহাৰাজৰ সন্মা...

D

...প্ৰাৰ্থী প্ৰণ...

...য় এ...

